অসম চৰকাৰ



# অনিৰুদ্ধ যাত্ৰাৰ ১০০ টা দিন



## সমৃদ্ধিশালী ভৱিষ্যতৰ ভেটি নিৰ্মাণৰ ১০০ দিন

পৰম শ্ৰদ্ধেয় অসমৰ জনগণ,

আজিৰ পৰা ১০০ দিনৰ পূৰ্বে জনতাৰ আদেশ শিৰোধাৰ্য কৰি এখন নতুন চৰকাৰে শপত গ্ৰহণ কৰিছিল। জনতাৰ শুভাশীষ লাভ কৰি আমাৰ চৰকাৰে জনসেৱাৰ গধুৰ দায়িত্ব কান্ধ পাতি লোৱাৰ পিছত আপোনালোকৰ প্ৰত্যাশা পূৰণৰ বাবে আমি আমাৰ বিনম্ৰ প্ৰচেষ্টা অব্যাহত ৰাখিছোঁ। প্ৰশাসনিক ক্ষেত্ৰখনত অৰ্থবহ ৰূপান্তৰ ঘটোৱাৰ সংকল্প লৈ এখন স্বপ্নৰ অসম গঢ়াৰ বাবে আমি যি প্ৰতিশ্ৰুতি দিছিলোঁ, আপোনালোকে তাত বিশ্বাস আৰু আস্থা পোষণ কৰি এই চৰকাৰখন গঠন কৰিবলৈ আমাৰ ওপৰত দায়িত্ব ন্যস্ত কৰিছিল ।

এটা অৰ্থবহ ৰূপান্তৰ বাস্তৱায়িত কৰাৰ বাটত ১০০ টা দিন বৰ বেছি সময় নহয়, বিশেষকৈ যেতিয়া আমি প্ৰশাসনিক ক্ষেত্ৰখনৰ প্ৰসংগ উল্লেখ কৰোঁ। তথাপি এটা সাৰ্থক ৰূপান্তৰৰ বীজ ৰোপণ কৰা হৈছে আৰু আগন্তুক সময়ছোৱাত যে সি ফলে-ফুলে জাতিষ্কাৰ হ'ব তাৰ আগজাননী ইতিমধ্যে পোৱা গৈছে।

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ দ্বাৰা ঘোষিত আদৰ্শ 'সবকা সাথ, সবকা বিকাশ ঔৰ সবকা প্ৰয়াস'ৰ আধাৰত আমি ইতিমধ্যে ৰাজ্যখনত এটা জনকেন্দ্ৰিক প্ৰশাসনৰ বুনিয়াদ গঢ়াৰ দিশে অগ্ৰসৰ হৈছোঁ। নাগৰিকৰ সৈতে অহৰহ সম্পৰ্ক ৰক্ষা কৰাটো জন-অংশীদাৰী প্ৰশাসনৰ এক অপৰিহাৰ্য উপাদান। এনে জন-অংশীদাৰিত্বৰ প্ৰকৃষ্ট নিদৰ্শন হৈছে চৰকাৰৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰেচন কাৰ্ডৰ ক্ষেত্ৰত আৰ্থিকভাৱে সচ্ছল নাগৰিকসকলে দেখুওৱা ত্যাগৰ মনোভাৱ।

ক'ভিডৰ ২য় ঢৌৱে ৰাজ্যখনত সংহাৰ সৃষ্টি কৰাৰ সময়তে আমাৰ চৰকাৰে ৰাজ্যখনৰ শাসনভাৰ গ্ৰহণ কৰিছিল। সেইবাবে ক'ভিড-১৯ৰ বৰ্ধিত প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰাটোতেই চৰকাৰখনে প্ৰাথমিকতা প্ৰদান কৰিছিল। তাৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সামগ্ৰিক মাৰ্গদৰ্শনত টীম অসমে সমগ্ৰ শক্তি নিবিষ্ট কৰিছিল।

এই ক্ষেত্ৰত আমাৰ ৰণনীতি আছিল পৰীক্ষা, চিকিৎসা, সন্ধান আৰু টীকাকৰণ। ইংৰাজীত test, treat, trace and vaccinate. তদুপৰি বহু স্বাস্থ্য বিশেষজ্ঞই আশংকা কৰা সম্ভাব্য ক'ভিড-১৯ৰ ৩য় ঢৌৰ ক্ষয়-ক্ষতিৰ পৰিমাণ ন্যূনতম কৰিবলৈকো যথাযথ প্ৰস্তুতি আৰম্ভ কৰি সম্পন্ন কৰা হৈছে। আমাৰ ক'ভিড যোদ্ধাসকলে সমুখসমৰত নেতৃত্ব প্ৰদান কৰিছে আৰু মহামাৰীৰ বিৰুদ্ধে এই যুদ্ধত অসমক বিজয়ী কৰিবলৈ উঠি-পৰি লাগিছে।

আমাৰ স্বাস্থ্যকৰ্মীসকলৰ অক্লান্ত চেষ্টাৰ ফলস্বৰূপে আমি ক'ভিড আক্ৰান্তৰ হাৰ ৯.১৩ শতাংশৰ পৰা ০.৭৩ শতাংশলৈ হ্ৰাস কৰিবলৈ সক্ষম হলোঁ, ১৩.৫৬ মেট্ৰিক টন অক্সিজেন গেছ উৎপাদনক্ষম গোট স্থাপন কৰিব পৰা গ'ল, ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়কেইখনৰ আই চি ইউৰ সংখ্যা দুগুণলৈ বৃদ্ধি কৰি ইয়াৰ সংখ্যা ৭৯৩ৰ পৰা ১,৩০৮ কৰা হ'ল আৰু বৰ্তমানলৈ ১ কোটি ৪৮ লাখ লোকৰ টীকাকৰণ সম্পূৰ্ণ কৰা হ'ল।

ক'ভিড-১৯এ আমাৰ বাবে দি থৈ যাব পৰা দীৰ্ঘকালীন ক্ষয়-ক্ষতিবোৰ আমি চিনাক্ত কৰিছোঁ। বিশেষকৈ মহামাৰীত পিতৃ-মাতৃ দুয়োকো হেৰুওৱা সন্তানসকলে



সন্মুখীন হোৱা অপূৰণীয় ক্ষতিৰ কথা আমি অনুধাৱন কৰিছোঁ। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ শিশুসেৱা আঁচনিখন ঘোষণা কৰি তেনে শিশুক ২৪ বছৰ বয়সলৈকে মাহেকীয়া ভৰণ-পোষণ দিবলৈ সিদ্ধান্ত লোৱা হৈছে। ক'ভিডক জয় কৰাৰ আমাৰ প্ৰয়াসৰ উপৰি এই ১০০ দিনত আমাৰ সমাজখনক গ্ৰাস কৰা, আমাৰ সভ্যতা-সংস্কৃতিৰ প্ৰতি ভাবুকি অনা আৰু আমাৰ ভৱিষ্যৎ অনিশ্চিত কৰি তোলা কেইবাটাও অভিশাপ মোচন কৰাৰ বাবে আমি কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছোঁ।

এখন প্ৰগতিশীল অসমৰ বাবে যে এখন ড্ৰাগছমুক্ত সমাজৰ প্ৰয়োজন সেই কথাত মই সদায় বিশ্বাস কৰি আহিছোঁ। ড্ৰাগছ আৰু নাৰ্ক'টিকছ সৰবৰাহৰ যি প্ৰণালীবদ্ধ ব্যৱস্থা এটা অসমত গঢ়ি উঠিছিল, যোৱা ১০০ দিনত অসম আৰক্ষীয়ে তাক ধ্বংস কৰাৰ বাবে অপৰিসীম প্ৰচেষ্টা চলাই আহিছে। এই প্ৰচেষ্টাৰ ফলত ১৮৩ কোটি টকাৰ ড্ৰাগছ জব্দ হৈছে আৰু ১,৭৬০ গৰাকী লোকক গ্ৰেপ্তাৰ কৰা হৈছে। আমি কঠোৰ হাতেৰে এই অসূয়া দমন কৰিম আৰু এখন ড্ৰাগছমুক্ত অসম প্ৰতিষ্ঠা কৰিম।

আমাৰ সংস্কৃতিয়ে শত-সহস্ৰাব্দ জুৰি গো-ধনৰ পূজা কৰি আহিছে আৰু চিৰদিন আমি গো-সুৰক্ষাক প্ৰাথমিকতা প্ৰদান কৰি আহিছোঁ। এই কথাই আমাৰ নিৰ্বাচনী ইস্তাহাৰত ঠাই পাইছিল। নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰক্ষা কৰি অসম গো-সুৰক্ষা আইন, ২০২১ খন গৃহীত কৰা হ'ল। এই আইনৰ জৰিয়তে ৰাজ্যত বহুদিন ধৰি অবাধে চলি থকা গো-ধনৰ অবৈধ ব্যৱসায় আৰু ৰাজ্যখনৰ মাজেৰে গো-ধনৰ অবৈধ পৰিবহণ আমি ৰোধ কৰিব বিচাৰিছোঁ। তদুপৰি আমাৰ মন্দিৰ আৰু নামঘৰসমূহৰ চৌহদত গঢ়ি উঠা অবৈধ বসতিসমূহ উৎখাত কৰাৰ বাবে উচ্ছেদ অভিযান আৰম্ভ কৰিছোঁ।

আমি ঘোষণা কৰা সংকল্পপত্ৰখন আমাৰ বাবে এক পৱিত্ৰ দস্তাবেজ। যোৱা ১০০ দিনত আমি এই সংকল্পবোৰ পালন কৰিছোঁ অথবা সেইবোৰ পালনৰ দিশত কঠোৰ শ্ৰম কৰিছোঁ। প্ৰতিশ্ৰুতি অনুসৰি আমি অৰুণোদয় আঁচনিৰ ধন প্ৰতিমাহে ৮৩০ টকাৰ পৰা ১,০০০ টকালৈ বৃদ্ধি কৰা হৈছে আৰু ৬.৩৮ লাখ নতুন হিতাধিকাৰীক আঁচনিখনৰ আওতালৈ অনা হৈছে। আমাৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি মাইক্ৰ'ফাইনেন্সৰ ঋণীসকলক সকাহ দিয়াৰ উদ্দেশ্যে অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ নামেৰে এখন আঁচনি প্ৰণয়ন




কৰি উলিওৱা হৈছে। চাহ বাগিচাৰ মজুৰি ২০২১ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা কাৰ্যকৰী হোৱাকৈ ব্ৰহ্মপুত্ৰ উপত্যকাত ১৬৭ টকাৰ পৰা ২০৫ টকালৈ আৰু বৰাক উপত্যকাত ১৪৫ টকাৰ পৰা ১৮৩ টকালৈ বৃদ্ধি কৰি বাগিচাৰ ভাতৃ-ভগ্নীসকলক আমি দিয়া আশ্বাস পূৰণ কৰা হৈছে। পণ্ডিত দীনদয়াল উপাধ্যায়ে আহ্বান দিয়া অন্ত্যোদয়ৰ দৰ্শনেই হৈছে আমাৰ নীতিৰ আধাৰ আৰু সমাজৰ শেষৰজন নাগৰিকলৈ সহায়ৰ হাত আগবঢ়োৱাৰ এই নীতি আমি অব্যাহত ৰাখিম।

টকিঅ' অলিম্পিকত অসমৰ সুনিপুণ বক্সাৰ লাভলীনা বৰগোহাঁইৰ ঐতিহাসিক সফলতা প্ৰতিগৰাকী অসমবাসীৰ বাবে অতি গৌৰৱৰ বিষয় । এই সফলতাক উলহ-মালহেৰে উদ্‌যাপন কৰা হৈছে যাতে ২০২৪ বৰ্ষৰ অলিম্পিকৰ বাবে বহুকেইগৰাকী লাভলীনাই যোগ্যতা অৰ্জন কৰিব পাৰে।

অহা পাঁচটা বছৰক এক সোণালী অধ্যায়ত পৰিণত কৰাৰ বাবে কেতবোৰ অৰ্থবহ ৰূপান্তৰ সাধনৰ বুনিয়াদ যোৱা ১০০ দিনত স্থাপন কৰা হৈছে। ন্যূনতম চৰকাৰ, সৰ্বাধিক প্ৰশাসন নীতিৰ অধীনত উপায়ুক্তসকললৈ অধিক ক্ষমতা বিকেন্দ্ৰীকৰণ কৰা হৈছে যাতে জলজীৱন অভিযান, ঔদ্যোগিক ভূমি আবণ্টন আৰু বান সাহায্য প্ৰদানৰ লক্ষ্য ত অবিলম্বে উপনীত হ'ব পৰা যায়।

এই কম সময়ৰ ভিতৰতে ভাৰাতীয়া আৰু মালিকপক্ষৰ মাজৰ বিবাদ মীমাংসা কৰাৰ বাবে এখন আদৰ্শ ভাৰাতীয়া আইন গৃহীত কৰা ৰাজ্য হিচাপে অসম পৰিগণিত হৈছে। এখন ইথানল পলিচি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত অসম হৈছে ভাৰতৰ অন্যতম ৰাজ্য। প্ৰথমবাৰৰ বাবে সকলো চৰকাৰী ভূমিৰ এটা তথ্যকোষ যোৱা ১০০ দিনতে তৈয়াৰ কৰি উলিওৱা হৈছে।

এয়া হৈছে অসমবাসীৰ বাবে এক গুৰুত্বপূৰ্ণ মুহূৰ্ত। কেন্দ্ৰত এখন সহানুভূতিশীল বিজেপি চৰকাৰ থকাৰ বাবে আৰু অসমতো দলটো ক্ষমতাত থকাৰ ফলত ৰাজ্যৰ উন্নয়নত আমি দুইহাতে কাম কৰিব পাৰিছোঁ। এই তিনিমাহত কেন্দ্ৰীয় চৰকাৰৰ সন্মানীয় মন্ত্ৰীসকলৰ সহযোগত আমি জলজীৱন মিছন, প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু প্ৰধানমন্ত্ৰী কিষাণ যোজনাৰ দৰে মুখ্য কেন্দ্ৰীয় আঁচনিকেইখনৰ ৰূপায়ণৰ গতি ক্ষিপ্ৰতৰ কৰি তুলিছোঁ।

অতীজত কেন্দ্ৰীয় চৰকাৰসমূহে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ মাজত সীমাসমূহ ধূসৰ আৰু অনিৰ্ধাৰিত কৰি ৰাখিছিল। বিগত ১০০ দিনত এই বহু দশকজোৰা সমস্যাটোৰে, বিশেষকৈ নাগালেণ্ড, মেঘালয় আৰু মিজোৰামৰ লগত অসমৰ সীমা সমস্যাটোৰে সমাধানৰ দিশত যথেষ্ট অগ্ৰগতি লাভ কৰিছে।

'আজাদী কা অমৃত মহোৎসৱ' উদ্‌যাপনত অসমে এক ঐতিহাসিক সফলতা অৰ্জন কৰিলে। ১৯৭৯ চনৰ পিছত প্ৰথমবাৰৰ বাবে এই বছৰৰ স্বাধীনতা দিৱস কোনো এটা নিষিদ্ধ সংগঠনে বৰ্জন নকৰাকৈ উদ্‌যাপিত হ'ল। প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত অসমৰ বিকাশ আৰু উন্নয়নৰ বিষয়টোৱে গতানুগতিকতাৰ ঊৰ্দ্ধলৈ গৈ এটা গুৰুত্বপূৰ্ণ বিষয়ত পৰিণত হোৱাৰ ফলতেই এনে এটা ইতিবাচক পৰিঘটনা আমি দেখিবলৈ পালোঁ।

আমাৰ প্ৰতি দেখুওৱা অভূতপূৰ্ব অনুৰাগ আৰু মমত্বৰ বাবে মই আপোনালোকৰ চৰণত প্ৰণিপাত জনাইছোঁ। ৰূপান্তৰৰ এই যাত্ৰাক জন-অংশীদাৰিত্বৰে ৰাজ্য জোৰা এটা জন-আন্দোলনলৈ পৰিণত কৰাৰ বাবে মই আপোনালোকক প্ৰাৰ্থনা জনাইছোঁ। এই আন্দোলনত আমি প্ৰতিগৰাকী অসমবাসীৰ যোগদান বিচাৰোঁ। এখন নতুন ভাৰত নিৰ্মাণত অসমৰ অৰিহণা যে দুগুণলৈ বৃদ্ধি পাব প্ৰথম ১০০ দিনৰ অভিজ্ঞতাৰে সেই কথা মই আত্মবিশ্বাসেৰে ক'ব পৰা হৈছোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)
মুখ্যমন্ত্ৰী, অসম

# ১০০ নতুন মাইলৰ খুঁটি



## মানৱীয় স্পৰ্শৰে ক'ভিড-১৯ ৰ সৈতে মোকাবিলা


**১** মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ পৰামৰ্শ অনুসৰি **এক মানৱীয় স্পৰ্শৰে** ক'ভিড মহামাৰীৰ সৈতে মোকাবিলা কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে সম্পূৰ্ণ লকডাউন ঘোষণা কৰাৰ পৰিৱৰ্তে প্ৰায় ১২,৫০০ টা ক্ষুদ্ৰ কণ্টেইনমেণ্ট জ'ন (নগৰ অঞ্চলত ৩,১২০টা আৰু গ্ৰামাঞ্চলত ৯,৪৩০টা) সৃষ্টি কৰিলে। চৰকাৰে প্ৰতিটো ক্ষুদ্ৰ কণ্টেইনমেণ্ট জ'নত থকা দুখীয়া আৰু পিছপৰা পৰিয়াললৈ ২, ০০০ টকাকৈ সাহায্য আগবঢ়ায়।

**২** দৈনিক ক'ভিড পজিটিভ ৰোগীৰ সংখ্যা ১১ মে'ত ৬,২৫৮ গৰাকীৰ পৰা ১৭ আগষ্ট, ২০২১ ত ৭৪১ গৰাকীলৈ হ্ৰাস পাইছে আৰু এই সময়ছোৱাত পজিটিভিটিৰ হাৰো ৯.১৩ শতাংশৰ পৰা ০.৭৩ শতাংশলৈ হ্ৰাস পাইছে।

**৩** এই পৰ্যন্ত ৰাজ্যত সৰ্বমুঠ ১,৪৮,৫০,৯৪৩ (১.৪৮কোটি) পালি টীকা প্ৰদান কৰা হৈছে। ইয়াৰে প্ৰথম পালি লাভ কৰোঁতাৰ সংখ্যা হৈছে ১.২২ কোটি আৰু দ্বিতীয় পালি লাভ কৰোঁতাৰ সংখ্যা হৈছে ২৫.৮৯ লাখ। বিগত ১০ দিনত দৈনিক প্ৰায় ২.৪৪ লাখ টীকাকৰণ কৰা হৈছে।

**৪** ভেকচিনৰ সামগ্ৰিক অপচয় হ্ৰাস পাই -২.৬২ শতাংশ হৈছে (ক'ভিশ্বিল্ড -৪.৮১ শতাংশ আৰু ক'ভাক্সিন -০.৪৩ শতাংশ)। ইয়াৰ ফলস্বৰূপে ৰাজ্য চৰকাৰে অতিৰিক্ত ৪ লাখ পালি টীকা প্ৰদান কৰিবলৈ সক্ষম হৈছে।

**৫** বিগত তিনি মাহত ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত আই চি ইউ বিচনাৰ সংখ্যা ৭৯৩ ৰ পৰা ১,৩০৮ লৈ বৃদ্ধি পাইছে। একেদৰে জিলা চিকিৎসালয়সমূহত এই সংখ্যা ১৪৫ ৰ পৰা ২৩২ লৈ বৃদ্ধি পাইছে।




**৬** ক'ভিড মহামাৰীৰ বলি হোৱা পৰিয়ালসমূহলৈ সাহায্য ঃ

- মুখ্যমন্ত্ৰীৰ শিশু সেৱা আঁচনি- ক'ভিড মহামাৰীত অনাথ হোৱা প্ৰতিটো শিশুলৈ মুখ্যমন্ত্ৰীৰ শিশু সেৱা আঁচনিৰ অধীনত প্ৰতিমাহে ৩,৫০০ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰাৰ উপৰি এটা লেপটপ আৰু ২৪ বছৰ বয়সত তেওঁলোকে পাব পৰাকৈ ৭.৮১ লাখ টকাৰ ফিক্সড ডিপ'জিট কৰা হৈছে। এতিয়ালৈকে আঠগৰাকী শিশু এনেদৰে উপকৃত হৈছে।
- মুখ্যমন্ত্ৰীৰ বিধৱা সাহায্য আঁচনি— এই আঁচনিৰ অধীনত ক'ভিডত স্বামীহাৰা হোৱা প্ৰতিগৰাকী বিধৱা মহিলালৈ ২.৫০ লাখ টকাৰ এককালীন বিত্তীয় সাহায্য প্ৰদান কৰা হৈছে। এতিয়ালৈকে এই আঁচনিৰ অধীনত ১,১৫৪ গৰাকী হিতাধিকাৰীলৈ অৰ্থসাহায্য আগবঢ়োৱা হৈছে।
- প্ৰাৰ্থনা আঁচনি— এই আঁচনিৰ অধীনত ক'ভিডত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকটাত্মীয়ক ১ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। ৪,০০০ তকৈ বেছি পৰিয়াল এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব।





## ড্ৰাগছৰ বিৰুদ্ধে যুঁজ

**৭** ২০২১ চনৰ মে' ৰ পৰা ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে ১,১১৫ টা গোচৰ পঞ্জীয়ন কৰা হৈছে আৰু ১,৯১২ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। আনুমানিক ১৯০.২১ কোটি টকা বজাৰ মূল্যৰ ড্ৰাগছ জব্দ কৰা হৈছে। ইয়াৰ ভিতৰত ২৪.৮৪৪ কিঃগ্ৰাঃ হেৰ'ইন, ৯,৩৬৪.৪১ কিঃগ্ৰাঃ গাঞ্জা, ১৭.৯৯৭৩৫ কিঃগ্ৰাঃ অপিয়াম, ৮৭,৮৫০ বটল ক'ডেইনযুক্ত ক'ফ চিৰাপ, ১৪,২৬,৭৯০টা টেবলেট/কেপচুল আৰু ৩.০ কিঃগ্ৰাঃ








ক্ৰিষ্টেল মেথামফেটামাইন আছে।

**৮** ড্ৰাগছৰ বিৰুদ্ধে জন-সচেতনতা গঢ়ি তোলাৰ লগতে জব্দকৃত ড্ৰাগছৰ অপব্যৱহাৰ ৰোধ কৰাৰ উদ্দেশ্যে ২০২১ চনৰ ১৭ আৰু ১৮ জুলাইত কাৰ্বি আংলং, গোলাঘাট, নগাঁও আৰু হোজাই জিলাত বৃহৎ পৰিমাণৰ জব্দকৃত ড্ৰাগছ ধ্বংস কৰা হৈছে।

## নিৰাপত্তা ব্যৱস্থাৰ সবলীকৰণ

**৯** কৰ্মদক্ষতা আৰু দায়বদ্ধতা সুনিশ্চিত কৰাৰ বাবে আৰক্ষী অধীক্ষক আৰু আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ বদলি আৰু নিযুক্তি সম্পূৰ্ণভাৱে যোগ্যতাৰ ভিত্তিত সম্পন্ন কৰাৰ ব্যৱস্থা কৰা হৈছে।

**১০** আৰক্ষীৰ লোকসকলে সন্মুখীন হোৱা সমস্যাসমূহৰ কাৰ্যকৰী সমাধানৰ বাবে প্ৰথমবাৰৰ কাৰণে ৰাজ্যখনৰ আৰক্ষী থানাসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ এক ৰাজ্যিক সন্মিলন অনুষ্ঠিত কৰা হয় আৰু চোৰাংচোৱা তথ্য আৰু আকস্মিক ব্যয়ৰ বাবে পৰ্যাপ্ত পুঁজিৰ লগতে এখনকৈ গাড়ী দিয়াৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়েও আলোচনা কৰা হয়।

**১১** আলফাৰ দ্বাৰা অপহৃত অ' এন জি চিৰ কৰ্মচাৰী শ্ৰী ৰিতুল শইকীয়াৰ নিৰাপদ মুক্তি এক উল্লেখনীয় ঘটনা।

**১২** উগ্ৰপন্থীৰ বিৰুদ্ধে তীব্ৰ অভিযান আৰম্ভ কৰা হৈছে। ২০২১ চনৰ মে' মাহৰ পৰা আৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত ১০ জন উগ্ৰপন্থী নিহত হোৱাৰ লগতে ৬৫ জনক গ্ৰেপ্তাৰ কৰা হৈছে।

**১৩** ২২ জুলাই তাৰিখে নেশ্যনেল লিবাৰেশ্যন ফ্ৰণ্ট অব্ বড়োলেণ্ড (এন এল এফ বি)ৰ নেতা এম বাথাৰ লগতে সংগঠনটোৰ আন ২১ গৰাকী কেডাৰে অস্ত্ৰ-শস্ত্ৰসহ আত্মসমৰ্পণ কৰে। আজিলৈকে সংগঠনটোৰ ৯৯ গৰাকী কেডাৰে আত্মসমৰ্পণ কৰিছে। আনহাতে, এন এল এফ বিৰ আন ১৩০ গৰাকী কেডাৰে অতি সোনকালে আত্মসমৰ্পণ কৰাৰ সম্ভাৱনা আছে। সংগঠনটোৰ সকলো কেডাৰকে মূলসুঁতিলৈ ঘূৰাই অনাৰ প্ৰচেষ্টা চলি আছে। কাৰ্বি আংলঙত কে এন এল এ হিচাপে নতুনকৈ নাম লোৱা ২৭ জন ইউ পি আৰ এফ (কুকি) ৰ কেডাৰে আত্মসমৰ্পণ কৰিছে আৰু ১৭ টা অস্ত্ৰ আৰু ২৯৬ গোলা-বাৰুদ জমা দিছে।

**১৪** মানৱ সৰবৰাহকাৰীৰ বিৰুদ্ধে অৰ্জন কৰা এক বৃহৎ সাফল্য হিচাপে ১৭৫ গৰাকীক উদ্ধাৰ কৰাৰ লগতে এই সন্দৰ্ভত ৩৬ টা গোচৰ পঞ্জীয়ন কৰা হৈছে তথা ৩৭ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

## আৰক্ষী ব্যৱস্থাৰ উন্নীতকৰণ

**১৫** আৰক্ষী বাহিনীৰ লোকসকলৰ বাবে কল্যাণকামী ব্যৱস্থাসমূহ—

- প্ৰাপ্ত অন্যান্য ছুটীৰ উপৰি সীমান্ত চকীত কৰ্মৰত আৰক্ষী বেটেলিয়নৰ লোকসকলৰ বাবে ৩০ দিনৰ 'বাৰ্ষিক বিশেষ ছুটী' আৰু বেটেলিয়নৰ সদৰ কাৰ্যালয়ত কৰ্মৰতসকলৰ বাবে ১০ দিনৰ এনে ছুটীৰ ব্যৱস্থা কৰা হৈছে।
- আৰক্ষী কৰ্মীসকলৰ কামৰ বোজা হ্ৰাস কৰিবলৈ আৰক্ষী থানা পৰ্যায়ত দুটা ছিফ্‌টত কাম কৰাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে।

**১৬** আন্তঃৰাজ্যিক সীমান্তৰ নিৰীক্ষণ ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ নিম্নোক্ত সিদ্ধান্তসমূহ গ্ৰহণ কৰা হৈছে—

- আন্তঃৰাজ্যিক সীমান্তত ৫০টা অতিৰিক্ত আৰক্ষী চকী স্থাপন।
- প্ৰতিকূল পৰিস্থিতিত কাৰ্যনিৰ্বাহ কৰিবলগীয়া হোৱাৰ বাবে আন্তঃৰাজ্যিক সীমান্তত নিয়োজিত আৰক্ষী কৰ্মীসকলৰ বাবে এমাহৰ অতিৰিক্ত দৰমহা প্ৰদানৰ ব্যৱস্থা।

**১৭** অনুসন্ধানৰ মান উন্নত কৰাৰ বাবে —

- চাৰিটা আঞ্চলিক ফৰেণচিক গৱেষণাগাৰ স্থাপনত অনুমোদন জনোৱা হৈছে আৰু ইয়াৰ ফলত সৃষ্টি হোৱা পদ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।
- ৭টা ভ্ৰাম্যমাণ ফৰেণচিক গোট স্থাপনত অনুমোদন জনোৱা হৈছে আৰু এইসমূহত পদ সৃষ্টি কৰা হৈছে।

**১৮** অসম আৰক্ষী, বিশেষকৈ সশস্ত্ৰ শাখাসমূহৰ কাৰ্যকাৰিতা আৰু কৰ্মদক্ষতা বৃদ্ধিৰ বাবে আৰক্ষীৰ প্ৰশাসনিক আয়োগ গঠন কৰা হৈছে। এই আয়োগে আৰক্ষীৰ লোকসকলৰ দক্ষতা বৃদ্ধি, অনুশাসন, মানৱ সম্পদ আৰু সা-সামগ্ৰী বিষয়ক প্ৰয়োজনীয়তা ইত্যাদি বিষয়সমূহ পৰ্যালোচনা কৰিব।

**১৯** ৰাজ্যিক কেবিনেটে পাঁচটা নতুন কমাণ্ডো বেটেলিয়ন গঠনত অনুমোদন জনাইছে। আৰক্ষীত ১৫ হাজাৰ খালী পদ পূৰণৰ প্ৰক্ৰিয়াত অনুমোদন জনোৱা হৈছে।

## সীমান্তৰ সুৰক্ষা

**২০** অসম-নাগালেণ্ড সীমা সমস্যাৰ ক্ষেত্ৰত ২০২১ চনৰ ৩১ জুলাই তাৰিখে দুয়োখন ৰাজ্যৰ মাজত বিবাদমান স্থানসমূহৰ পৰা দুয়োপক্ষৰ সশস্ত্ৰ আৰক্ষী বাহিনী প্ৰত্যাহাৰ কৰাৰ বাবে এক চুক্তিত উপনীত হোৱা গৈছে, যাৰ ফলত স্বাভাৱিক অৱস্থা ঘূৰি আহিছে।




## প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়

মৰিগাঁও, ধেমাজি, গোলাঘাট, বঙাইগাঁও আৰু তামুলপুৰ

ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত নতুন ৰেডিঅ' থেৰাপী ইউনিট স্থাপন

অসম-মেঘালয়
মুখ্যমন্ত্ৰী পৰ্যায়ৰ পৰৱৰ্তী আলোচনাৰ বাবে তিনিখন আঞ্চলিক সমিতিয়ে ৩০ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব।



অসম - নগালেণ্ড
বিবাদমান অঞ্চলৰ পৰা আৰক্ষী প্ৰত্যাহাৰৰ পিছত শান্তি ঘূৰি আহিছে

অসম - মিজোৰাম
২৬ জুলাইৰ ঘটনাৰ পিছত সীমান্তত স্বাভাৱিক যাতায়তৰ বাবে যুটীয়া প্ৰস্তাৱ

**২১** অসম-মেঘালয় সীমা সমস্যাৰ ক্ষেত্ৰত ২০২১ চনৰ ৬ আগষ্ট তাৰিখে গুৱাহাটীত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী দুগৰাকীৰ মাজত হোৱা আলোচনাত দুয়োপক্ষৰ পৰা কেবিনেট মন্ত্ৰীৰ নেতৃত্বত তিনিখন আঞ্চলিক সমিতি গঠন কৰাৰ সিদ্ধান্ত লোৱা হয়, যাতে মত-পাৰ্থক্যসমূহ হ্ৰাস কৰিব পৰা যায়। দুয়োগৰাকী মুখ্যমন্ত্ৰীৰ মাজত পৰৱৰ্তী আলোচনাৰ বাবে এই সমিতিসমূহে তেওঁলোকৰ পৰামৰ্শাৱলী ৩০ দিনৰ ভিতৰত দাখিল কৰিব।

**২২** অসম-মিজোৰাম সীমা সমস্যাৰ ক্ষেত্ৰত ২০২১ চনৰ ২৬ জুলাইত সংঘটিত হোৱা শেহতীয়া ঘটনাৰ পিছত ২০২১ চনৰ ৫ আগষ্ট তাৰিখে আইজলত অসম আৰু মিজোৰামৰ মাজত এক যৌথ প্ৰস্তাৱ স্বাক্ষৰিত হয়। ইয়াৰ পিছতে অসম আৰু মিজোৰামৰ মাজত যান-বাহনৰ চলাচল স্বাভাৱিক কৰাৰ বাবে সকলোধৰণৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। অসমৰ সাংবিধানিক সীমা সুৰক্ষাৰ বাবে অসম -মিজোৰাম সীমান্তৰ কাছাৰ জিলাৰ লাইলাপুৰত ২৬ জুলাই, ২০২১ ত আত্মবলিদান দিয়া ছজন আৰক্ষী জোৱানৰ প্ৰতিগৰাকীৰ নিকটাত্মীয়লৈ ৫০ লাখ টকাকৈ সাহায্য আগবঢ়োৱাৰ উপৰি এটাকৈ চাকৰি আগবঢ়োৱা হৈছে।

### ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল

**২৩** অসম বিধানসভাৰ বাজেট অধিৱেশনত 'অসম গো-সুৰক্ষা বিধেয়ক, ২০২১' গৃহীত হয়।

### সু-স্বাস্থ্যৰ নিশ্চিতি

**২৪** গুৱাহাটীৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত এড্‌ভাঞ্চড টʼমʼ থেৰাপি আৰু ট্ৰু বিম লিনিয়াৰ এক্সেলেৰেটৰ সা-সুবিধাযুক্ত নতুন ৰেডিঅ' থেৰাপি ইউনিট মুকলি কৰা হৈছে।

**২৫** লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে আৰু মহাবিদ্যালয়খনৰ নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ পৰা অনুমতি বিচৰা হৈছে।

**২৬** বিশ্বনাথ আৰু চৰাইদেউ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছে। বাজেটত ঘোষণা কৰা অনুসৰি মৰিগাঁও, ধেমাজি, গোলাঘাট, বঙাইগাঁও আৰু তামুলপুৰত নিৰ্মাণ হ'বলগীয়া ৫ খন নতুন চিকিৎসা মহাবিদ্যালয়ৰ ভিতৰত তামুলপুৰ চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা ইতিমধ্যে স্থাপন কৰা হৈছে। মৰিগাঁও আৰু ধেমাজি চিকিৎসা মহাবিদ্যালয়ৰ বাবেও ইতিমধ্যে ভূমি চিনাক্ত কৰা হৈছে।

ভাৰতীয় পৰম্পৰাগত মূল্যবোধৰ সুৰক্ষা



**২৭** অটল অমৃত অভিযান আৰু আয়ুষ্মান ভাৰত-প্ৰধানমন্ত্ৰীৰ জন আৰোগ্য যোজনাৰ অধীনত বিগত ১০০ দিনত ক্ৰমে ৫,৪০২ গৰাকী আৰু ১,৮১১ গৰাকী হিতাধিকাৰীক নগদবিহীন চিকিৎসা সুবিধা প্ৰদান কৰা হৈছে।

### প্ৰশাসনীয় সংস্কাৰ

**২৮** চৰকাৰী সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াটো দ্ৰুততৰ কৰি তোলাৰ বাবে প্ৰতি সপ্তাহতে কেবিনেট বৈঠক অনুষ্ঠিত কৰা হৈছে। তদুপৰি সকলো জিলাৰ বাবে অভিভাৱক মন্ত্ৰী আৰু অভিভাৱক সচিবক নিয়োগ কৰা হৈছে যাতে তেওঁলোকে সংশ্লিষ্ট জিলাসমূহ সঘনাই পৰিদৰ্শন কৰাৰ লগতে জিলা প্ৰশাসনসমূহলৈ প্ৰয়োজনীয় সহায় আগবঢ়াব পাৰে।

**২৯** বৃহৎ আন্তঃগাঁথনি আৰু সামাজিক খণ্ডৰ প্ৰকল্পসমূহৰ ৰূপায়ণ ত্বৰান্বিত কৰা আৰু পদ্ধতিগত বাধাসমূহ আঁতৰ কৰাৰ বাবে বিত্তীয় ক্ষমতা প্ৰদানৰ ব্যৱস্থাৱলীৰ সংশোধন ঘটোৱা হৈছে।

**৩০** সুশাসনৰ সুবিধাৰ্থে তামুলপুৰক এখন নতুন জিলা হিচাপে ঘোষণা কৰা হৈছে।

**৩১** বিভিন্ন বিভাগৰ কাৰিকৰী পদসমূহৰ নিযুক্তি ত্বৰান্বিত কৰাৰ বাবে অসম অভিযান্ত্ৰিক সেৱা নিযুক্তি ব'ৰ্ড গঠন কৰা হৈছে।

**৩২** বিভাগসমূহৰ কাম-কাজত অধিক গতিশীলতা অনা আৰু বৰ্দ্ধিত ৰাজহুৱা সেৱা প্ৰদানৰ বাবে একেধৰণৰ কাম কৰি থকা বিভাগবোৰক সংলগ্ন বা একত্ৰিত কৰা হৈছে।

- সাধাৰণ প্ৰশাসন বিভাগৰ সৈতে সচিবালয় প্ৰশাসন

অসম বিধানসভাৰ বাজেট অধিৱেশনত 'অসম গো- সুৰক্ষা বিধেয়ক, ২০২১' গৃহীত হয়।

## অসম বিধানসভাৰ বাজেট অধিবেশনৰ সময়ত চৰকাৰে বৃহৎ সংখ্যক বিধি উত্থাপন কৰি গৃহীত কৰিছে



বিভাগক সংলগ্ন কৰি 'সাধাৰণ প্ৰশাসন বিভাগ' হিচাপে নামকৰণ কৰা হৈছে।

- নগৰ উন্নয়ন বিভাগৰ সৈতে গুৱাহাটী উন্নয়ন বিভাগক সংলগ্ন কৰি 'গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ' হিচাপে নতুনকৈ নামকৰণ কৰা হৈছে।
- তথ্য আৰু জনসংযোগ বিভাগৰ সৈতে মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগক সংলগ্ন কৰি 'তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগ' হিচাপে নতুন নামকৰণ কৰা হৈছে।
- গৃহ বিভাগৰ সৈতে পাৰপত্ৰ বিভাগক চামিল কৰি 'গৃহ বিভাগ' হিচাপে নতুন নামকৰণ কৰা হৈছে।
- উদ্যোগ আৰু বাণিজ্য বিভাগৰ সৈতে ৰাজহুৱা প্ৰতিষ্ঠান বিভাগক চামিল কৰি 'উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ' হিচাপে নতুন নামকৰণ কৰা হৈছে।
- প্ৰশাসনিক সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগৰ সৈতে পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগক চামিল কৰি 'প্ৰশাসনিক সংস্কাৰ, প্ৰশিক্ষণ, পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগ' হিচাপে নামকৰণ কৰা হৈছে।

**৩৩** আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ কাম-কাজ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে গ্ৰামাঞ্চলৰ বিভিন্ন আন্তঃগাঁথনিমূলক প্ৰকল্পৰ বাবে ৰাজ্য চৰকাৰৰ বিভাগ আৰু কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বিভাগসমূহলৈ প্ৰয়োজনীয় চৰকাৰী ভূমি আৱণ্টনৰ বাবে উপায়ুক্তসকলক ক্ষমতা প্ৰদান কৰা হৈছে।

**৩৪** অসমৰ গ্ৰামাঞ্চলসমূহত অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰেৰে জৰীপ আৰু মেপিং (SVAMITVA) প্ৰকল্পৰ ৰূপায়ণৰ বাবে ছাৰ্ভে অব্ ইণ্ডিয়া, ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। ইয়াৰ ভিত্তিত ছাৰ্ভে অব্ ইণ্ডিয়াই চি অ' আৰ এছ (কণ্টিনিউৱাছ অপাৰেচন ৰেফাৰেন্স ছিষ্টেম) নেটৱৰ্ক স্থাপনৰ বাবে প্ৰাথমিক কাম-কাজ ইতিমধ্যে আৰম্ভ কৰিছে।




**৩৫** কৃষি আয়কৰ, বৃত্তিগত কৰ, নিৰ্দিষ্ট ভূমিখণ্ডৰ ওপৰত আৰোপিত কৰ, বিদ্যুৎ শুল্ক আদিৰ দৰে জি এছ টি বহিৰ্ভূত সেৱাসমূহৰ বাবে অনলাইন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হৈছে যাতে কৰদাতাসকলৰ বাবে এই ব্যৱসায়িক প্ৰক্ৰিয়াবোৰ সৰল আৰু অসুবিধামুক্ত কৰি তুলিব পৰা যায়।

**৩৬** ভৱিষ্যতে চৰকাৰী প্ৰকল্প আৰু আঁচনিসমূহৰ বাবে উপযুক্ত পৰিকল্পনা প্ৰস্তুত কৰাৰ লগতে চৰকাৰী ভূমিৰ সুৰক্ষাৰ উদ্দেশ্যৰে প্ৰথমবাৰৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানত থকা ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ, ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু স্বায়ত্তশাসিত সংস্থাৰ দখলত থকা সকলো চৰকাৰী ভূমিৰ বাবে এক সংহত ডাটাবেছ প্ৰস্তুত কৰি উলিওৱা হৈছে।

**৩৭** অসম বিধানসভাৰ বাজেট অধিবেশনৰ সময়ত চৰকাৰে বৃহৎ সংখ্যক বিধি উত্থাপন কৰি গৃহীত কৰিছে। ইয়াৰে কেইখনমান হৈছে-

- অসম সামগ্ৰী আৰু সেৱা কৰ (সংশোধন) বিধেয়ক, ২০২১
- অসম মূল্য সংযোজিত কৰ ( সংশোধন) বিধেয়ক, ২০২১
- অসম কৰ ( নিৰ্দিষ্ট ভূমিখণ্ডৰ ওপৰত) (সংশোধন) বিধেয়ক, ২০২১
- অসম বিদ্যুৎ শুল্ক (সংশোধন) বিধেয়ক, ২০২১
- অসম কৃষিজাত আয়কৰ (সংশোধন) বিধেয়ক, ২০২১
- আসাম প্ৰফেছনছ, ট্ৰেডছ, কলিঙছ এণ্ড এমপ্লইমেণ্টছ টেঅেছন (এমেণ্ডমেণ্ড) বিল, ২০২১
- অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা (সংশোধন) বিধেয়ক, ২০২১
- অসম মহিলা বিশ্ববিদ্যালয় (সংশোধন) বিধেয়ক, ২০২১
- মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় (সংশোধন) বিধেয়ক, ২০২১
- বেংগল , আগ্ৰা আৰু অসম দেৱানী আদালত (অসম সংশোধন) বিধেয়ক, ২০২১
- অসম পৌৰ (সংশোধন) বিধেয়ক, ২০২১
- অসম পৌৰ (দ্বিতীয় সংশোধন) বিধেয়ক, ২০২১
- অসম ভাৰাতীয়া বিধেয়ক, ২০২১
- ভাৰতীয় টিকট ( অসম সংশোধন) বিধেয়ক , ২০২১
- অসম কৰ্মচাৰী 'প্ৰণাম' (সংশোধন) বিধেয়ক, ২০২১

## সামাজিক সুৰক্ষা ব্যৱস্থাৰ সবলীকৰণ

**৩৮** নিৰ্বাচনী ইস্তাহাৰৰ প্ৰতিশ্ৰুতি অনুসৰি ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানসমূহৰ পৰা ঋণ লওঁতাসকলক সকাহ প্ৰদান কৰাৰ বাবে 'অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান উদগণি আৰু

ORUNODOI

Empowering Families, Empowering Women, Empowering Assam

<u>অৰুণোদয়ৰ সংবৰ্ধন</u>

**অনুদান বৃদ্ধি - ৮৩০ টকাৰ পৰা ১০০০ টকালৈ**

**অতিৰিক্ত হিতাধিকাৰী ৬.৩৬ লাখ**

সাহায্য আঁচনি, ২০২১'ৰ জাননী জাৰি কৰা হৈছে।

**৩৯** 'দীনদয়াল দিব্যাংগ পেন্সন আঁচনি', 'শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনি' আৰু 'ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনি'ৰ অধীনত প্ৰাপ্য পেন্সনৰ ধনৰাশি প্ৰতি মাহৰ ১০ তাৰিখে লাভ কৰাটো সুনিশ্চিত কৰা হৈছে। প্ৰত্যেক মাহে এই পেন্সন আঁচনিসমূহ আৰু অৰুণোদয় আঁচনিৰ বাবে ২৪২.৩৮ কোটি টকা মুকলি কৰি দিয়া হয় আৰু ইয়াৰ দ্বাৰা ৪৩.৭ লাখ গৰাকী ব্যক্তি উপকৃত হৈছে। তদুপৰি দৰিদ্ৰতা দূৰীকৰণৰ ক্ষেত্ৰত এক বৃহৎ পদক্ষেপ হিচাপে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা অতিৰিক্ত ৬.৩৬ লাখ বৃদ্ধিৰ লগতে প্ৰতি পৰিয়াললৈ আগবঢ়োৱা মাহিলি সাহায্যৰ পৰিমাণ ৮৩০ টকাৰ পৰা ১,০০০ টকালৈ বৃদ্ধি কৰা হৈছে।

**৪০** সুলভ মূল্যৰ দোকানৰ দোকানীৰ লাভ ভাৰত চৰকাৰৰ নীতিৰ সৈতে সংগতি ৰাখি প্ৰতি কুইণ্টল চাউলত১৪৩ টকা কৰা হৈছে। ৰাজহুৱা বিতৰণ ব্যৱস্থাত খাদ্য শস্যৰ যোগান সুকলমে সম্পাদন কৰাত থকা গুৰুত্বৰ বাবে জি পি এছ এছ/এল এ এম পি এছ/ডব্লিউ চি চি এছ সমূহলৈ প্ৰতিবছৰে পাঁচ লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে।

**৪১** পৰিপূৰক পুষ্টি কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে খাদ্য-সামগ্ৰীৰ মান, পৰিমাণ আৰু উপযুক্ত মূল্য সুনিশ্চিতকৰণৰ লগতে খাদ্য-সামগ্ৰীৰ সময়সাপেক্ষ যোগান সুনিশ্চিত কৰিবলৈ এই আঁচনিৰ অধীনত মাথো ভাৰতীয় খাদ্য নিগমৰ পৰাহে চাউল ক্ৰয় কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ভাৰতীয় খাদ্য নিগমৰ পৰা চাউল ক্ৰয়ে পৰিপূৰক পুষ্টি কাৰ্যসূচী ৰূপায়নত স্বচ্ছতা আৰু সম-মান নিশ্চিত কৰিব। আঁচনিখনৰ সু-ৰূপায়নৰ বাবে সমাজ কল্যাণ বিভাগক বিত্তীয় ক্ষমতা দিয়া হৈছে।

**৪২** ভূমিহীন লোকৰ সমস্যা লাঘৱ কৰিবৰ বাবে চৰকাৰে যোগ্য লোকক বৰ্তমানে চলিত বাৰ্ষিক পট্টা (একচনীয়া পট্টা) দিয়া ব্যৱস্থাৰ পৰিৱৰ্তে ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা কৰিছে।

**তেল খননৰ বাবে অধিগ্ৰহণ কৰা ভূমিৰ বিপৰীতে সৰ্বাধিক হাৰত ক্ষতিপূৰণ দিয়া হ'ব, যাৰ ফলত ভূমিৰ গৰাকী লাভান্বিত হ'ব।**

**৪৩** তেল খননৰ বাবে অধিগ্ৰহণ কৰা ভূমিৰ বিপৰীতে সৰ্বাধিক হাৰত ক্ষতিপূৰণ দিয়া হ'ব, যাৰ ফলত ভূমিৰ গৰাকী লাভান্বিত হ'ব।

## জ্ঞানৰ বন্তি

**৪৪** গোৱালপাৰা সৈনিক বিদ্যালয়ৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সৈনিক স্কুল ছ'চাইটি আৰু ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ বাবে ৰাজ্যিক কেবিনেটে সিদ্ধান্ত লৈছে। সেই অনুসৰি বিদ্যালয়খন পৰিচালনাৰ বাবে অসম চৰকাৰে প্ৰয়োজনীয় ব্যয় বহন কৰিব।

**৪৫** মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্যিক শিক্ষা আয়োগ গঠন কৰাৰ লগতে শিক্ষামন্ত্ৰীৰ নেতৃত্বত বিদ্যালয় শিক্ষা কৰ্তৃত্বশীল সমন্বয়ৰক্ষী সমিতি আৰু উচ্চ শিক্ষা কৰ্তৃত্বশীল সমন্বয়ৰক্ষী সমিতি গঠন কৰা হৈছে।

**৪৬** মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় আৰু বীৰাংগণা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় আইনত ৰাজ্যিক কেবিনেটে জনোৱা অনুমোদনে এই ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ কাম- কাজ আৰম্ভ কৰা পথ মুকলি কৰিলে।

**৪৭** শিক্ষাৰ্থী আৰু অভিভাৱকৰ মনত সৃষ্টি হোৱা অনিশ্চয়তা আঁতৰ কৰি সফলভাৱে উচ্চ মাধ্যমিক শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে।

**নতুনকৈ নিযুক্তি দিবলগীয়া পদ**

**গৃহ**
**১৫,০০০**

**শিক্ষা**
**২৩,৫১৫**

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ**
**৮,৮৫৫**



**৪৮** ৰাজ্যৰ কেবিনেটে সৰ্বমুঠ ২৩,৫১৫ টা শিক্ষক পদত নিযুক্তিৰ বাবে অনুমোদন জনাইছে। লগতে আৰু এবাৰ টেট পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তদুপৰি শিক্ষা বিভাগে ৭৬৭ টা অনুকম্পামূলক পদত নিযুক্তিৰ বাবে অনুমোদন জনাইছে।





## সকলোৰে বাবে গৃহ

**৭২,৪৮৮** টা
পি এম এ ৱাই-জি গৃহৰ অনুমোদন

হিতাধিকাৰীলৈ
**৩৮৯৪.৩৫** লাখ টকা মুকলি



## আৰ্থ-সামাজিক উন্নয়ন

**৪৯** ২০২১ চনৰ ২২ ফেব্ৰুৱাৰীৰ পৰা প্ৰযোজ্য হোৱাকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ১৬৭ টকাৰ পৰা ২০৫ টকালৈ আৰু বৰাক উপত্যকাত এই মজুৰি ১৪৫ টকাৰ পৰা ১৮৩ টকালৈ বৃদ্ধি কৰা হৈছে।

**৫০** চাহ খেতি নকৰা সময়ছোৱাত ইচ্ছুক চাহ বাগিচাৰ শ্ৰমিকসকলক এমজিএনৰেগাৰ অধীনত কমেও ১০০ দিনৰ নিযুক্তি দিয়াৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে যাতে কৰ্মহীনতাৰ সময়ছোৱাত বিকল্প নিযুক্তি প্ৰদান কৰিব পৰা যায়।

## সম-বিকাশৰ নৱযাত্ৰা

**৫১** বড়োলেণ্ড টেৰিটৰিয়েল ৰিজন(বিটিআৰ) এলেকাত বসবাস কৰা জনসাধাৰণৰ সৰ্বাঙ্গীন বিকাশ তথা নীতি আৰু আঁচনি সঠিকভাৱে ৰূপায়ণ, প্ৰস্তুত কৰাৰ বাবে 'বড়োলেণ্ড কল্যাণ বিভাগ' নামেৰে এটা নতুন বিভাগ সৃষ্টি কৰা হৈছে।

**৫২** বড়োলেণ্ড প্ৰদেশীয় পৰিষদ, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যসকলক কেবিনেট মন্ত্ৰীৰ মৰ্যাদা প্ৰদান কৰা হৈছে।

**৫৩** শদিয়া জনজাতীয় বেল্টত অসম ভূমি আৰু ৰাজহ নিয়মাৱলীৰ দশম অধ্যায়ৰ অধীনত সুৰক্ষাৰ অধিকাৰী ব্যক্তিৰ শ্ৰেণীৰ তালিকাত আহোম, মৰাণ, মটক, চুতীয়া আৰু গোৰ্খা সম্প্ৰদায়ক অন্তৰ্ভুক্ত কৰি জাননী জাৰি কৰা হৈছে। আনহাতে কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাৰ ট্ৰাইবেল বেল্ট আৰু ব্লকত গোৰ্খা সম্প্ৰদায়ক সুৰক্ষিত শ্ৰেণী হিচাপে জাননী জাৰি কৰা হৈছে।

**৫৪** অসমত বসবাস কৰা গোৰ্খা সম্প্ৰদায়ৰ লোকসকলৰ বিৰুদ্ধে বিদেশী আইন , ১৯৪৬ ৰ অধীনত সীমান্ত আৰক্ষীৰ দ্বাৰা অনুসন্ধান আৰম্ভ নকৰাৰ বাবে ৰাজ্যিক কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে। তদুপৰি গোৰ্খা সম্প্ৰদায়ৰ লোকসকলৰ বিৰুদ্ধে বিদেশী ন্যায়াধীকৰণত বিচাৰাধীন গোচৰসমূহ প্ৰত্যাহাৰ কৰাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

**৫৫** বড়ো, গাৰো আৰু মণিপুৰী মাধ্যমৰ বাবে বিশেষ টেট পৰীক্ষা অনুষ্ঠিত কৰাৰ ঘোষণা কৰা হৈছে।

## সকলোলৈ উন্নয়নৰ সুফল

**৫৬** গ্ৰাম্য আন্তঃগাঁথনি সাহায্য আঁচনি (ৰিয়াছ) আৰু নাবাৰ্ড আন্তঃগাঁথনি উন্নয়ন সাহায্য (নিডা) ৰ অধীনত গ্ৰাম্য আৰু অৰ্ধ-গ্ৰাম্য এলেকাত বিভিন্ন মূলধনী পুঁজিৰ সামাজিক খণ্ডৰ প্ৰকল্প (স্বাস্থ্য, শিক্ষা, খোৱাপানী আদি), গ্ৰাম্য যোগাযোগ, কৃষি আৰু ইয়াৰ আনুষংগিক কাম-কাজ (জলসম্পদ, জলসিঞ্চন, মীন, পশুপালন, ভূমি সংৰক্ষণ, গ্ৰাম্য জ্ঞানকেন্দ্ৰ ইত্যাদি) গঢ়ি তোলাৰ বাবে ১৩,২০০ কোটি টকা পৰ্যন্ত ঋণ গ্ৰহণৰ বাবে নাবাৰ্ডৰ সৈতে এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে।

**৫৭** জলজীৱন মিছনৰ কাম-কাজ দ্ৰুত গতিত সম্পাদন কৰাৰ বাবে আঁচনিখনৰ ৰূপায়ণৰ গাঁথনিগত পৰিৱৰ্তন সাধন কৰিবলৈ জিলা প্ৰশাসনক অধিক ক্ষমতা প্ৰদানেৰে উপায়ুক্তসকলক জিলাখনৰ অভিভাৱক মন্ত্ৰীৰ অনুমোদন ক্ৰমে পূৰ্বৰ ২ কোটি টকাৰ পৰিবৰ্তে ১০ কোটি টকালৈকে পুঁজি ব্যৱহাৰৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। বিগত ১০০ দিনত ৩,৪২,১৫১ টা নলপানী যোগানৰ সংযোগ দিয়া হৈছে। চাহ বাগিছাসমূহৰ প্ৰতিটো পৰিয়াললৈ নল পানী যোগানৰ সংযোগ দিয়াৰ বাবে কাম আৰম্ভ কৰা হৈছে।









**৫৮** বিগত১০০ দিনত প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীন (পিএমএওৱাই-জি)ৰ অধীনত ৭২,৪৮৮ টা গৃহ নিৰ্মাণৰ বাবে অনুমোদন জনোৱা হৈছে আৰু ৩৮৯৪.৩৫ লাখ টকা মুকলি কৰি দিয়া হৈছে। পিএমএওৱাই-জি অধীনৰ কেঁচা ঘৰৰ সংশোধিত সংজ্ঞা অনুসৰি ঘৰে ঘৰে গৈ জৰীপ চলোৱা হৈছে আৰু ১১,১৮, ৯৭৪ গৰাকী হিতাধিকাৰীক যোগ্য বুলি চিনাক্ত কৰা হৈছে।

**৫৯** জলসিঞ্চন খণ্ডটোক পুনৰুজ্জীৱিত কৰাৰ পদক্ষেপ হিচাপে প্ৰতিটো বিধানসভা সমষ্টিত একোটা জলসিঞ্চনৰ উপ-সংমণ্ডল কাৰ্যালয় থকাটো সুনিশ্চিত কৰিবলৈ জলসিঞ্চন বিভাগটোক পুনৰ সংগঠিত কৰা হৈছে আৰু জনপ্ৰতিনিধিসকলৰ সৈতে অধিক সু-সমন্বয় নিশ্চিত কৰাৰ অৰ্থে বিভাগৰ মাণ্ডলিক কাৰ্যালয়টোক দুটাৰ পৰা তিনিটা বিধানসভা সমষ্টিৰ লগত পুনৰসংযোগ কৰা হৈছে।

**৬০** এই ১০০ দিনৰ ভিতৰত শুৱালকুছিৰ পৰা পলাশবাৰীলৈ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ৩০৯৪ কোটি টকাৰ প্ৰাক্কলিত ব্যয় সাপেক্ষ তিনি কি.মি. দৈৰ্ঘ্যৰ প্ৰস্তাৱিত নতুন দলঙৰ সংৰেখণ আৰু প্ৰাথমিক দলঙৰ নআ চূড়ান্ত কৰা হৈছে।

## নগৰীয়া বিকাশৰ তৰান্বিত গতি

**৬১** অসম বিধান সভাৰ শেহতীয়া অধিৱেশনত 'অসম ভাৰাতীয়া বিধেয়ক,২০২১' গৃহীত হৈছে। ইয়াৰ জৰিয়তে ঘৰৰ মালিক আৰু ভাৰাতীয়াসকলৰ মাজত হোৱা বিবাদ দ্ৰুততাৰে মীমাংসাৰ বাবে এক নিৰ্ণয় প্ৰণালী গঢ়ি উঠিব আৰু ইয়ে ভাৰাতীয়া আৰু মালিক উভয়ৰে নিজৰ স্বাৰ্থ সন্তুলিত কৰাত সহায়ক হ'ব।

**৬২** ফ্লেট / এপাৰ্টমেণ্টৰ হস্তান্তৰৰ ক্ষেত্ৰত পঞ্জীয়ন ব্যৱস্থা সৰলীকৰণ আৰু দ্ৰুত কৰাৰ বাবে শেহতীয়া বিধানসভাৰ অধিৱেশনত পঞ্জীয়ন (অসম সংশোধন) বিধেয়ক, ২০২১গৃহীত কৰা হৈছে।

**৬৩** পিএমএওৱাই- এইচএফএ (নগৰ)ৰ হিতাধিকাৰী ভিত্তিক নিৰ্মাণ অংশৰ অধীনত হিতাধিকাৰীসকলক গৃহ নিৰ্মাণৰ বাবে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ (ডিবিটি) ব্যৱস্থাৰ জৰিয়তে ১৭,৩৭২ গৰাকী হিতাধিকাৰীলৈ ১২৬.০৬ কোটি টকা মুকলি কৰি দিয়া হৈছে। ৫৭খন স্থানীয় নগৰ নিকায় আৰু ৪ টা উন্নয়ন প্ৰাধিকাৰী সামৰি ২৬ খন জিলাত গৃহ শিলান্যাস সমাৰোহ, ২০২১ ৰ আয়োজন কৰা হৈছিল।

**৬৪** অফ্ গ্ৰীড আৰু কেন্দ্ৰীভূত সৌৰ পিভি এপ্লিকেচন আঁচনিৰ অধীনত অসম শক্তি উন্নয়ন সংস্থাৰ দ্বাৰা সৌৰশক্তি চালিত ষ্ট্ৰীট লাইট প্ৰকল্পৰ অধীনত বিগত ১০০ দিনত ৩০০০ টা সৌৰশক্তি চালিত ষ্ট্ৰীট লাইট স্থাপন কৰা হৈছে।

**৬৫** এটা বহুমহলীয়া কাৰ পাৰ্কিঙৰ লগতে গুৱাহাটীত ৩ খন ফুট অ'ভাৰব্ৰীজৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা হৈছে। গুৱাহাটীৰ হেঙেৰাবাৰী, পুৰণি গুৱাহাটী কাৰাগাৰ আৰু মালিগাঁৱত তিনিখন নতুন উদ্যান নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে।

## দক্ষতা বিকাশ- নিয়োগ সৃষ্টি

**৬৬** ৰাজ্যখনৰ এক লাখ নিবনুৱা যুৱক-যুৱতীক নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে প্ৰাৰম্ভিক পৰ্যায়ত ৰাজ্য চৰকাৰে গৃহ বিভাগৰ ১৫,০০০ টা পদ, শিক্ষা বিভাগৰ ২৩,৫১৫ টা পদ আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৮,৮৫৫ টা পদৰ নিযুক্তিত ইতিমধ্যে অনুমোদন জনাইছে। এই নিযুক্তি প্ৰক্ৰিয়া অহা মাহৰ পৰা আৰম্ভ হ'ব।

**৬৭** নিয়োগ বিনিময় কেন্দ্ৰসমূহত আবেদনকাৰীৰ অনলাইন পঞ্জীয়নৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। ইয়াৰ ফলশ্ৰুতিত নিবনুৱা যুৱক-যুৱতীসকলে নিজ গৃহৰ পৰাই তেওঁলোকৰ নাম পঞ্জীয়নৰ সুবিধা লাভ কৰিব পাৰিব। অসমৰ প্ৰতিটো নিয়োগ বিনিময় কেন্দ্ৰত আবেদনকাৰীৰ আধাৰ ভিত্তিক অনলাইন পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছে। অসমৰ আকাংক্ষিত জিলাৰ যুৱক-যুৱতীসকলৰ বাবে গুৱাহাটীস্থিত ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰত দক্ষতা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ বাবে এল এণ্ড টিৰ সৈতে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰা হৈছে। এই কেন্দ্ৰত প্ৰশিক্ষণ সম্পূৰ্ণ কৰা শিক্ষাৰ্থীসকলক এল এণ্ড টি লিমিটেডে নিয়োগৰ সুবিধা প্ৰদান কৰিব।

**৬৮** শিক্ষকৰ যোগ্যতা নিৰূপণকাৰী পৰীক্ষা (টেট)ৰ প্ৰমাণ পত্ৰৰ বৈধতা জীৱনজোৰা কৰা হৈছে। অৱশ্যে ইতিমধ্যে টেট যোগ্যতা আহৰণকাৰী প্ৰাৰ্থীসকলে তেওঁলোকৰ নম্বৰ উন্নীত কৰাৰ বাবে পুনৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। কিন্তু চৰকাৰী পদত নিযুক্তিৰ বাবে প্ৰচলিত চৰকাৰী নিয়ম অনুসৰি বয়সৰ উৰ্দ্ধ সীমাৰ নীতি অব্যাহত থাকিব।

## শক্তিখণ্ডত ন-উন্মেষ

**৬৯** ৰাজ্যৰ সকলো প্ৰাথমিক বিদ্যালয় আৰু অংগনবাড়ী কেন্দ্ৰৰ বৈদ্যুতিকীকৰণৰ বাবে ১৬১.৪৯ কোটি টকাৰ 'সোণালী শৈশৱ বিকশিত অসম' নামেৰে এখন আঁচনি প্ৰথমবাৰৰ বাবে ২০২১-২২ বৰ্ষৰ বাজেটত ঘোষণা কৰা হৈছে।

| ক্ৰমিক নং | বিভাগ | নতুন পদসহ পুৰণ কৰিবলৈ লোৱা মুঠ পদ |
|---|---|---|
| ১) | শ্ৰমিক কল্যাণ বিভাগ | ৫৪ |
| ২) | পশুপালন আৰু পশু চিকিৎসা বিভাগ | ৭১১৮ |
| ৩) | মীন বিভাগ | ১৬৮ |
| ৪) | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ | ২১৩৭ |
| ৫) | সাধাৰণ প্ৰশাসন বিভাগ | ১৪৩৬ |
| ৬) | লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগ | ১০২৭ |
| ৭) | ভূমি সংৰক্ষণ বিভাগ | ৫২৬ |
| ৮) | ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ | ৬৭৬ |
| ৯) | শিক্ষা বিভাগ | ২৮,১৬২ |
| ১০) | উদ্যানশস্য বিভাগ | ৫৫ |
| ১১) | চাহ জনজাতি কল্যাণ বিভাগ | ৬ |
| ১২) | জলসিঞ্চন বিভাগ | ৯৪০ |
| ১৩) | খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ | ৯৫ |
| ১৪) | সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ | ৩৬ |
| ১৫) | চৰ অঞ্চল উন্নয়ন বিভাগ | ২০ |
| ১৬) | পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগ | ৬০৫ |
| ১৭) | ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগ | ৩৪৮ |
| ১৮) | পৰিবহণ বিভাগ | ১০০১ |
| ১৯) | পৰিৱেশ আৰু বন বিভাগ | ১৩৭৯ |
| ২০) | আবকাৰী বিভাগ | ৪৫৩ |
| ২১) | কৃষি বিভাগ | ৬৮৭ |
| ২২) | পৰ্যটন বিভাগ | ১৪৪ |
| ২৩) | সমবায় বিভাগ | ১৭৪ |
| ২৪) | ৰূপান্তৰ আৰু উন্নয়ন বিভাগ | ১২৪০ |
| ২৫) | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ | ৯৩৫৩ |
| ২৬) | গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগ | ২৩২ |
| ২৭) | পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগ | ২ |
| ২৮) | জনস্বাস্থ্য কাৰিকৰী বিভাগ | ৫২৬ |
| ২৯) | বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ | ১১ |
| ৩০) | তথ্য আৰু জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগ | ১৭৫ |
| ৩১) | সাংস্কৃতিক পৰিক্ৰমা বিভাগ | ৫৬১ |
| ৩২) | ন্যায়িক বিভাগ | ৪৯৮ |
| ৩৩) | ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ | ৯৬৫ |
| ৩৪) | বিধায়িনী বিভাগ | ৪৫২ |
| ৩৫) | হস্তত াঁত, বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগ | ৩৩৪ |
| ৩৬) | খনি আৰু খনিজ বিভাগ | ৩৯১ |
| ৩৭) | কৰ্মচাৰী বিভাগ | ১২ |
| ৩৮) | দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ | ৫৩৯ |
| ৩৯) | শক্তি বিভাগ | ৫৭৬৯ |
| ৪০) | সমাজ কল্যাণ বিভাগ | ৪৭০ |
| ৪১) | গৃহ আৰু ৰাজনৈতিক বিভাগ | ১৮,০৯৬ |
| ৪২) | জলসম্পদ বিভাগ | ১৮৭ |
| ৪৩) | লোকনিৰ্মাণ (পথ) বিভাগ | ১৯৬৩ |
| ৪৪) | বিত্ত বিভাগ | ৯২২ |
| ৪৫) | সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ | ৯৮ |
| ৪৬) | ১০ টা বেটেলিয়ন | ১০,০০০ |
| | | ১,০০,০৪৩ |



**৭০** বিদ্যুত সংযোগ ব্যৱস্থা সু-শৃংখলিত কৰাৰ পদক্ষেপ হিচাপে সমগ্ৰ ৰাজ্যখনতে ব্যাপক নিৰীক্ষণ ব্যৱস্থাৰ পদক্ষেপ লোৱা হৈছে। ইয়াৰ ফলশ্ৰুতিত ২০২১ চনৰ জুলাই মাহত এ.পি.ডি.চি.এল.-য়ে সৰ্বাধিক ৭৩৫.১৬ কোটি টকা ৰাজহ আহৰণ কৰি অভিলেখ গঢ়িবলৈ সক্ষম হৈছে।

## সেউজী সপোন

**৭১** পৰ্যটনৰ প্ৰসাৰ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰচেষ্টাৰ সবলীকৰণৰ বাবে ৩৭-নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনত ৩৫ কি.মি. দৈঘ্যৰ ওখ কৰিড'ৰ নিৰ্মাণ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে।




**৭২** জলবায়ু পৰিবৰ্তন বিভাগ নামৰ এটা নতুন বিভাগ গঠন কৰা হৈছে।

**৭৩** ৰাইমনা সংৰক্ষিত বনাঞ্চল আৰু দিহিং পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যক ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰি অধিসূচনা জাৰি কৰা হৈছে।

**৭৪** বন্যপ্ৰাণী আক্ৰমণত জীৱনহানি, অথবা আঘাতপ্ৰাপ্ত আৰু সা-সম্পত্তি তথা শস্য বিনষ্ট হোৱা পৰিয়ালসমূহলৈ এককালীন সাহায্য প্ৰদানৰ ব্যৱস্থাটোক সৰলীকৰণ কৰা হৈছে। ইয়াৰ ফলশ্ৰুতিত ১৯৩ গৰাকী লোকে ইতিমধ্যে তাৎক্ষণিক ক্ষতিপূৰণ লাভ কৰিছে।

**৭৫** বনবিভাগৰ আগশাৰীৰ কৰ্মচাৰীৰ ৰেচনৰ মূল্য



প্ৰতিমাহে ৮৪২ টকাৰ পৰা ২,০০০ টকালৈ বৃদ্ধি কৰা হৈছে আৰু তেওঁলোকক অগ্ৰাধিকাৰ টীকাকৰণ কৰা হৈছে।

**৭৬** চোৰাং চিকাৰীৰ বিৰুদ্ধে অভিযানত সহায়ক হোৱাকৈ তথা এই সম্পৰ্কত এক সু-সংহত ব্যৱস্থাপনা শক্তিশালীকৰণৰ বাবে বনকৰ্মীসকলক ছেটেলাইট ফোন প্ৰদান কৰা হৈছে।

## ঐতিহ্যৰ সুৰক্ষা

**৭৭** ৰাজ্যখনৰ খিলঞ্জীয়া আৰু জনজাতীয় লোকসকলৰ কল্যাণ তথা সৰ্বাঙ্গীন বিকাশৰ কাৰণে নীতি আৰু কৰ্মপন্থা যুগুত কৰাৰ বাবে ‘খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সাংস্কৃতিক’ বিভাগ নামৰ এটি নতুন বিভাগ গঠন কৰা হৈছে। পুৰাতত্ত্ব সঞ্চালকালয়, সংগ্ৰহালয় সঞ্চালকালয়, ইতিহাস আৰু পুৰাতন অধ্যয়ন সঞ্চালকালয় এই বিভাগৰ অধীনত থাকিব।

**৭৮** অসমৰ পৱিত্ৰ স্থানসমূহৰ অন্যতম বটদ্ৰৱা থানক সাংস্কৃতিক আৰু পৰ্যটনস্থলী হিচাবে উন্নয়ন কৰিবলৈ অতিৰিক্ত ৩৫ বিঘা ভূমি আবণ্টন দিয়া হৈছে। মূল্যৱান গুহা কলা আৰু শৈল্য ভাস্কৰ্য সংৰক্ষণ আৰু ইয়াক এক অন্যতম পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ বাবে ছিপাঝাৰৰ ধলপুৰ শিৱ মন্দিৰৰ চৰকাৰী ভূমিৰ সমস্যাটো সু-মীমাংসা কৰা হৈছে। মন্দিৰ আৰু নামঘৰৰ চৌপাশ বেদখল মুক্ত কৰাৰ বাবে এলানি উচ্ছেদ অভিযান চলোৱা হৈছে।



**৭৯** ৰাজ্যখনৰ খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ৰ লোকসকলৰ সবলীকৰণৰ বাবে ৰাজ্য চৰকাৰে উপযুক্ত পৰিকল্পনা প্ৰস্তুত আৰু ৰূপায়ণৰ উদ্দেশ্যে থলুৱা মুছলমান সম্প্ৰদায়ৰ প্ৰতিনিধি অন্তৰ্ভুক্তিকৰণেৰে আঠটা উপ-গোট গঠন কৰিছে।

**৮০** ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক বঁটা ২ ডিচেম্বৰৰ চুকাফা দিৱসত প্ৰদান কৰিব বুলি ঘোষণা কৰা হৈছে। দেশভক্ত তৰুণ ৰাম ফুকনৰ মৃত্যু বাৰ্ষিকী অৰ্থাৎ ২৮ জুলাইৰ দিনটো আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু বাৰ্ষিকী অৰ্থাৎ ৫ আগষ্টৰ দিনটো যথাক্ৰমে ‘দেশভক্তি দিৱস’ আৰু ‘লোককল্যাণ দিৱস’ হিচাপে পালন কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে।

**৮১** ৰাজ্যখনৰ স্থানীয় শিপিনীসকলক উৎসাহ যোগাবলৈ গামোচা, আৰ্নাই আৰু ডুমাৰ ক্ৰয় কৰিবলৈ আৰ্টফেডলৈ ১০০ কোটি টকা আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে।

**৮২** সকলো চৰকাৰী সভা আৰু কাৰ্যসূচী জাতীয় সংগীত ‘অ’ মোৰ আপোনাৰ দেশ’ৰে আৰম্ভ হ’ব আৰু ৰাষ্ট্ৰীয় সঙ্গীত ‘জন গণ মন’ৰে সামৰণি পৰিব।

**৮৩** ৰাজ্যখনৰ আত্ম-সহায়ক গোটসমূহক বিত্তীয় সাহায্য আৰু উৎসাহ প্ৰদানৰ উদ্দেশ্যৰে সকলো চৰকাৰী সভা আৰু কাৰ্যসূচীত বেকাৰীৰ খাদ্যৰ পৰিৱৰ্তে লাডু,



পিঠা ইত্যাদিৰ দৰে পৰম্পৰাগত খাদ্য পৰিৱেশন কৰা হ'ব। সকলো চৰকাৰী কাৰ্যসূচীত বিশিষ্ট ব্যক্তিসকলক সম্বৰ্দ্ধনা জনোৱাৰ বাবে যন্ত্ৰৰে বোৱা গামোচাৰ পৰিৱৰ্তে চৰকাৰে এতিয়া হাতেৰে বোৱা গামোচা ব্যৱহাৰৰ বাবে নিৰ্দেশাৱলী জাৰি কৰিছে।

**৮৪** মুক্তিযোদ্ধা কুশল কোঁৱৰ আৰু কমলা মিৰি শ্বহীদ হোৱা যোৰহাট কাৰাগাৰখন মুক্তিযোদ্ধা স্মাৰকলৈ পৰিৱৰ্তন কৰিবলৈ লোৱা হৈছে আৰু কাৰাগাৰখন এক নতুন স্থানলৈ স্থানান্তৰ কৰা হ'ব।

**৮৫** মুক্তিযোদ্ধাসকলৰ পেঞ্চন প্ৰতিমাহে ২৩,০০০ টকাৰ পৰা ৩৬,০০০ টকালৈ বৃদ্ধি কৰা হৈছে।

## দুৰ্যোগেৰে মোকাবিলাৰ প্ৰস্তুতি

**৮৬** ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি (এছ ডি আৰ এফ) ৰ অধীনত তৎকালীনভাৱে সাহায্য সামগ্ৰী মঞ্জুৰ কৰাৰ লগতে তাৎক্ষণিকভাৱে পুনৰ সংস্থাপনৰ কাম-কাজ কৰাৰ বাবে জিলা উপায়ুক্তসকলক সম্পূৰ্ণ বিত্তীয় ক্ষমতা প্ৰদান কৰা হৈছে। বানপীড়িতসকলক প্ৰদান কৰিবলগীয়া এই সাহায্য সামগ্ৰীৰ তালিকাত চেনিটাৰী নেপকিন অন্তৰ্ভুক্ত কৰা হৈছে।



### সমূহীয়া নাৰ্চাৰী

বানপানীত আক্ৰান্ত ৭৭,৪০০ গৰাকী কৃষকলৈ কঠীয়া

## অধিক ফচলৰ বাবে

**৮৭** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অধীনৰ গৰুখুটিত এক বৃহৎ চৰকাৰী ভূমি বেদখলকাৰীৰ পৰা মুক্ত কৰা হৈছে। স্থানীয় সম্প্ৰদায়ক জড়িত কৰি এই ভূমিত অৰ্থকৰী শস্য উৎপাদন কৰাৰ এক প্ৰকল্প ৰূপায়নৰ কৰাৰ বাবে এখন সমিতি গঠন কৰা হৈছে।

**৮৮** ৭৭,৪০০ গৰাকী বানত ক্ষতিগ্ৰস্ত কৃষকৰ মাজত






বিতৰণৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (আৰ.কে.ভি.ৱাই.) আৰু প্ৰাকৃতিক দুৰ্যোগ আৰু মহামাৰী প্ৰতিৰোধী বিশেষ অভিযান, ২০২১-২২ ৰ অধীনত সামূহিক নাৰ্চাৰী কাৰ্যসূচী গ্ৰহণ কৰি চলিত খাৰিফ ঋতুত কঠীয়াৰ ব্যৱস্থা কৰা হৈছে।

**৮৯** গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ আঁচনিৰ দ্বাৰা নতুনকৈ খন্দা পুখুৰীৰ জিঅ'-টেগিঙৰ কাম আৰম্ভ কৰা হৈছে। ইয়াৰ লগতে প্ৰতিখন গাঁৱত এটাকৈ সামূহিক পুখুৰী খন্দা হ'ব। যিসমূহ গাঁৱত সামূহিক পুখুৰী আছে কিন্তু ইয়াৰ অৱস্থা উন্নত নহয়, তেনেকুৱা পুখুৰী উপযুক্ত ব্যৱস্থা গ্ৰহণেৰে পুনৰুজ্জীৱিত কৰা হ'ব।

**৯০** ম্যাদী পট্টা, একচনীয়া পট্টা, তৌজি পট্টা, বন অধিকাৰ আইন, ২০০৬ ৰ অধীনত লাভ কৰা ভূমি, দেৱোত্তৰ ভূমি, সত্ৰৰ ভূমি, চাহ বাগিচাৰ মাটিৰ প্ৰমাণ পত্ৰ থকা কৃষকলৈও পি এম কিষান সন্মান নিধিৰ অধীনত সা-সুবিধা প্ৰদানৰ পদক্ষেপ লোৱা হৈছে।

## উদ্যোগৰ বিকাশ

**৯১** হাইড্ৰ'কাৰ্বন ইন্ধনৰ বিকল্প হিচাপে ইথানল ব্যৱহাৰৰ বাবে ইয়াৰ প্ৰস্তুতকাৰীসকলক উদগণি যোগাবলৈ দেশৰ ভিতৰতে অন্যতম ৰাজ্য হিচাপে অসমে ইথানল নীতি, ২০২১ ত অনুমোদন জনাইছে।

**৯২** ৰাজ্যখনৰ অৰ্থডত আৰু বিশেষ চাহৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে অসম চাহ উদ্যোগ বিশেষ উদগণি আঁচনি, ২০২০ যুগুত কৰা হৈছে। এতিয়ালৈকে ১৮২ খন চাহ বাগিচাই ইয়াৰ বাবে আবেদন কৰিছে।

**৯৩** নুমলীগড় শোধনাগাৰ লিমিটেডত ২১৮৭ কোটি টকা বিনিয়োগেৰে ৰাজ্য চৰকাৰৰ অংশৰ পৰিমাণ ১২.৩৫ শতাংশৰ পৰা ২৬ শতাংশলৈ বৃদ্ধি কৰা হৈছে।

## ক্ৰীড়া আৰু যুৱ পৰিক্ৰমাৰ নতুন গতি

**৯৪** ৩ ছেপ্টেম্বৰ অৰ্থাৎ অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি এতিয়াৰে পৰা এই দিনটোতে ক্ৰীড়া পেঞ্চন প্ৰদান কৰা হ'ব। অলিম্পিক, এছিয়ান গেমছ, কমনৱেলথ গেমছ আৰু

### বৃহৎ অংশীদাৰিত্ব

এন আৰ এল ত
চৰকাৰী অংশ

১২.৩৫
শতাংশৰ পৰা

২৬
শতাংশলৈ

**বিনিয়োগ ঃ ২১৮৭ কোটি টকা**




# লাভলীনালৈ




১ কোটি টকা

২০২৪ চনৰ অলিম্পিক পৰ্যন্ত প্ৰতিমাহে ১ লাখ টকা

ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক লাভ কৰা সকলো খেলুৱৈক ক্ৰীড়া পেঞ্চন প্ৰদান কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ ফলত এই বৰ্ষত ৩০৪ গৰাকী খেলুৱৈ উপকৃত হ'ব।

**৯৫** ৰাজ্যখনৰ যুৱ প্ৰজন্মক ক্ৰীড়াৰ দিশত অনুপ্ৰাণিত কৰাৰ বাবে অলিম্পিকত পোনপ্ৰথমবাৰৰ বাবে ৰাজ্যখনৰ পদক অৰ্জন কৰা শ্ৰীমতী লাভলীনা বৰগোহাঁইক ১ কোটি টকা প্ৰদান কৰা হৈছে। পৰৱৰ্তী পেৰিছ অলিম্পিকৰ বাবে প্ৰস্তুতি চলোৱাত সহায়ক হোৱাকৈ লাভলীনা বৰগোহাঁইলৈ প্ৰতিমাহে ১ লাখ টকাকৈ আগবঢ়োৱা হ'ব। ইয়াৰোপৰি, লাভলীনা বৰগোহাঁইৰ নামেৰে গুৱাহাটী মহানগৰীৰ এটা পথ নামাকৰণ কৰাৰ লগতে লাভলীনা বৰগোহাঁইৰ গৃহ জিলাৰ সৰুপথাৰত ২৫ কোটি টকা ব্যয়েৰে এখন ষ্টেডিয়াম স্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে।

# বঁটা

## ৰাজপত্ৰিত আৰু অৰাজপত্ৰিত কৰ্মচাৰীলৈ

প্ৰতিখন জিলাৰ ৫ গৰাকীলৈ
ৰাজ্যিক পৰ্যায়ত ১০ গৰাকীলৈ
বঁটাপ্ৰাপ্ত কৰ্মচাৰীৰ চাকৰিৰ কাৰ্যকাল এবছৰ বৃদ্ধি।

## নিষ্ঠাৰ স্বীকৃতি

**৯৬** ৰাজ্যৰ চৰকাৰী কৰ্মচাৰী আৰু পেঞ্চনাৰ সকলক ১১% অতিৰিক্ত মৰগীয়া বানচ প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ ফলত ৰাজ্যখনত অতিৰিক্তভাৱে মাহিলিভ্ৰ ১৯৫ কোটি টকা ব্যয় হ'ব।

**৯৭** চৰকাৰী সেৱাত প্ৰদৰ্শন কৰা দক্ষতাৰ ভিত্তিত ৰাজ্য চৰকাৰে প্ৰতিখন জিলাৰ পাঁচ গৰাকীকৈ ৰাজপত্ৰিত আৰু অ-ৰাজপত্ৰিত কৰ্মচাৰীক বঁটা প্ৰদান কৰিব। একেদৰে প্ৰতি বছৰে শ্ৰেষ্ঠ কৰ্মচাৰী হিচাপে ৰাজ্যিক পৰ্যায়ত দহ গৰাকীকৈ ৰাজপত্ৰিত আৰু অ-ৰাজপত্ৰিত কৰ্মচাৰীক বঁটা প্ৰদান কৰা হ'ব। এনেদৰে বঁটাপ্ৰাপক প্ৰতিগৰাকী কৰ্মচাৰীৰ চাকৰিৰ কাৰ্যকাল এবছৰলৈ বৃদ্ধি কৰা হ'ব।

**৯৮** নতুন কৰ্মচাৰীৰ দৰমহাপ্ৰাপ্তিৰ প্ৰক্ৰিয়াটো সৰলীকৰণ কৰা হৈছে। প্ৰশাসনিক বিভাগসমূহে এই কৰ্মচাৰীসকলৰ দা-দৰমহাৰ বিষয়টো পোনপটীয়াকৈ কোষাগাৰলৈ প্ৰেৰণ কৰিব পাৰিব।

**৯৯** যোৱা ১০০ দিনত অভিলেখসংখ্যক ৫৪২৯ টাতকৈও অধিক নিষ্পত্তি নোহোৱাকৈ থকা পেঞ্চনৰ কাম ক্ষীপ্ৰতাৰে নিষ্পত্তি কৰা হৈছে।

**১০০** ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক তেওঁলোকৰ পিতৃ-মাতৃক তীৰ্থ ভ্ৰমণ বা তেনেকুৱা আন ভ্ৰমণৰ উদ্দেশ্যৰ বাবে ৭ দিনৰ বেতনসহ ছুটী প্ৰদান কৰা হ'ব।

